This question paper contains 3 printed pages]

Your Roll No..........................

**230**

**B.A. (PROGRAMME)/I** **J**

ASSAMESE LANGUAGE—Paper I

(Admission of 2005 and onwards)

*Time : 3 Hours* *Maximum Marks : 75*

*(Write your Roll No. on the top immediately on receipt of this question paper.)*

1. তলত দিয়া যিকোনো এটা বিষয়ত ৰচনা লিখা— 10

a) বাতৰি কাকত

b) তোমাৰ জীৱনৰ লক্ষ্য

c) কম্পিউটাৰ

2. তলৰ যিকোনো এটা ফকৰাৰ ভাব বহলাই লিখা— 5

a) যি মূলা বাঢ়ে, তাৰ দুপাততে চিন।

b) আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা।

3. বাক্য সাজা (যিকোনো পাঁচটা) — 5

a) গাখীৰতে মহৰ খুঁটি

b) কানসমনীয়া

c) এলাইবাদু

d) কপালফুল

e) পানীৰ তলৰ কাইট

f) হাত লৰ

g) চকু দিয়া

P.T.O.

4. তলত দিয়া দফাটো পঢ়ি প্ৰশ্নবোৰৰ যথাযথ উত্তৰ দিয়া-
পচতি শব্দৰ সমাৰ্থকৰূপে পাচতি, পাচেতি শব্দৰ প্ৰচলন আছে। শব্দকেইটা সংস্কৃত পঞ্চ শব্দৰ পৰা উদ্ভৱ হৈছে। পঞ্চতি, পাঞ্চতি আদি শব্দ পাচতি বা পচতি শব্দৰ সমাৰ্থক। পাচেতি অনুষ্ঠান জীৱনবৃত্ত সম্পৰ্কীয় উৎসৱ। জন্মকৃত্যৰ লগত সম্পৰ্কযুক্ত। জন্মকৃত্যৰ লগত জড়িত বিভিন্ন কৃত্য সন্তান জন্ম হোৱাৰ পাঁচদিন, এঘাৰ দিন, একৈশ দিন আৰু ত্ৰিশ দিনত উদ্‌যাপিত হোৱা দেখা যায়। লৰা-ছোৱালী জন্মৰ পাঁচদিনৰ দিনা সন্তানক ঘৰৰ পৰা বাহিৰলৈ উলিয়াই সূৰ্য দৰ্শন কৰায়। সেইদিনা সন্তানৰ নামকৰণ অনুষ্ঠান কৰা হয়। ইয়েই পচতি। পিছলৈ এই অনুষ্ঠান শ্ৰীকৃষ্ণৰ লগত সংপৃক্ত হৈ পৰিল আৰু উৎসৱ হিচাপে সত্ৰসমূহত উদ্‌যাপিত হবলৈ ধৰিলে। কৃষ্ণৰ জন্ম হৈছিল ভাদ মহৰ কৃষ্ণাষ্টমী তিথিত। অষ্টমী তিথিৰ পাঁচদিন পাচত অৰ্থাৎ দ্বাদশী তিথিত পচতি উৎসৱ পালন কৰে। 3×5=15

a) পচতি মানে কি ?

b) পচতি শব্দৰ মূল কি? পচতি সমাৰ্থক শব্দবোৰ কিকি ?

c) পচতি কিয় আৰু কিদৰে পালন কৰা হয় ?

d) পচতি কেতিয়া পালন কৰে ?

e) পচতিৰ লগত শ্ৰীকৃষ্ণ কিদৰে জড়িত লিখা।

5. তলত দিয়া যিকোনো পাঁচটা শব্দৰ পৰিভাষা যুগুতোৱা 5

(a) Viva

(b) Radio

(c) System

(d) Permit

(e) Telephone

(f) Modify

(g) Purpose.

6. টোকা লিখা (যিকোনো চাৰিটা) 5×4=20

a) বিহুগীত

b) সত্ৰীয়া নৃত্য

c) বিয়ানাম

d) অসমীয়া সাংস্কৃতিত বাঁহ গছ

e) মহোহো

f) লোকবিশ্বাস

7. লোক সাংস্কৃতি বুলিলে কি বুজা? লোকসাংস্কৃতিৰ শ্ৰেণীবিভাগ কৰি প্ৰতিটোৰ বিষয়ে আলোচনা কৰা। 15

নাইবা,

লোক উৎসৱৰ শ্ৰেণী বিভাগ কৰি প্ৰতিটো ভাগৰে উদাহৰণসহ আলোচনা কৰা।

This question paper contains 2 printed pages]

*Your Roll No.........................*

**317.**

**B.A. (PROGRAMME)/II/III** **J**

ASSAMESE LANGUAGE—Paper II

(Study of Literary Texts)

(Admissions of 2005 and onwards)

*Time : 3 Hours* *Maximum Marks : 75*

*(Write your Roll No. on the top immediately on receipt of this question paper.)*

Attempt *All* questions.

1. দ্বিতীয় মহাযুদ্ধৰ পাছত অসমীয়া গল্পলৈ অহা পৰিবৰ্তনসমূহ আলোচনা কৰা 15

অথবা,

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প সম্পৰ্কে লিখা

2. চুটি গল্পৰ সংজ্ঞা লিখি চুটিগল্পৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰা । 15

অথবা,

মহীচন্দ্ৰ বৰাৰ যিকোনো এটা গল্পৰ আধাৰত তেওঁৰ গল্পৰ বৈশিষ্ট্য বিশ্লেষণ কৰা ।

3. 'সীতাহৰণ' কাব্যৰ ৰচক কোন ? কাব্যখনৰ বিষয়বস্তু আলোচনা কৰা । 15

অথবা,

'সীতাহৰণ' কাব্যৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰা ।

4. নাটক কাক বোলে ? নাটকৰ বিভিন্ন উপাদানসমূহ কেনেধৰণৰ আলোচনা কৰা । 15

অথবা

'কুকুৰনেচীয়া মানুহ' নাটকখনৰ প্ৰধান চৰিত্ৰকেইটাৰ বিষয়ে টোকা লিখা ।

5. নাটক হিচাপে 'আহাৰ'-ক মঞ্চসফল নাট বুলি ক'ব পাৰিনে আলোচনা কৰা । 15

অথবা,

নাটকৰ সংলাপ আৰু চৰিত্ৰৰ ওপৰত এটা আলোচনা যুগুত কৰা ।